**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time:** 1910 Hrs

***Assamese Evening Bulletin***
HEADLINES

oooooooo

১। ভাৰতৰ সংবিধান হৈছে ৰাষ্ট্ৰীয় মহাকাব্য আৰু ইয়াত উল্লেখিত নীতি-নিয়মসমূহ মানি চলাটো প্ৰতিজন লোকৰ কৰ্তব্য বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয় যে বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ দিশে যাত্ৰা, সংবিধানত উল্লেখিত সমতা, ন্যায়, অধিকাৰ আৰু বন্ধুত্বৰ মূলমন্ত্ৰৰ দ্বাৰা অনুপ্ৰাণিত।

৩। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ এছ্ পি সিং বাঘেলে আজি নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় দুগ্ধ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৪। ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই বাণিজ্য দূতাবাস, ভিছা আৰু আইনী ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে অধিক পদক্ষেপ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে।

*আৰু*

৫। দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে টেষ্ট শৃংখলাটোত ২-০ৰ ব্যৱধানত জয়লাভ কৰিছে।

ooooooooo

ভাৰতৰ সংবিধান হৈছে ৰাষ্ট্ৰীয় মহাকাব্য আৰু ইয়াত উল্লেখিত নীতি-নিয়মসমূহ মানি চলাটো প্ৰতিজন লোকৰ কৰ্তব্য বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি উচ্চতম ন্যায়ালয়ে আয়োজন কৰা সংবিধান দিৱসৰ অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইদৰে কয়। তেওঁ লগতে শিশুসকলেও সংবিধানৰ বিষয়ে জনা উচিত বুলি মন্তব্য কৰে।

ooooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সাংবিধানিক সভাৰ দ্বাৰা গঠিত আৰু কোটি কোটি ভাৰতীয়ৰ অভিলাসেৰে সমৃদ্ধ ভাৰতীয় সংবিধানৰ যাত্ৰাক চৰ্চা কৰি প্ৰকাশ কৰা এটি প্ৰৱন্ধ আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে লোকসভাৰ অধ্যক্ষগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক আত্মনিৰ্ভৰ আৰু আত্মবিশ্বাসী ভাৰত হিচাপে আগুৱাই নিয়াৰ বাবে সংবিধানে কেনেদৰে আদৰ্শ পথ প্ৰদৰ্শকৰ কাম কৰি আহিছে সেই সন্দৰ্ভত আলোকপাত কৰে।

ooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ দিশে যি যাত্ৰা সেয়া সংবিধানত উল্লেখিত সমতা, ন্যায়, অধিকাৰ আৰু বন্ধুত্বৰ মূলমন্ত্ৰৰ দ্বাৰা অনুপ্ৰাণিত বুলি মন্তব্য কৰে। সংবিধান দিৱস উপলক্ষে আজি দিল্লী বিধানসভাত কফি বুক টেবুল মুকলি কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সংবিধান হৈছে ভাৰতৰ আত্মাস্বৰূপ। শ্ৰীৰাধাকৃষ্ণণে শেহতীয়াকৈ ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হোৱা আৰু দেশৰ ২৫ কোটিৰো অধিক লোকক দৰিদ্ৰ সীমাৰেখাৰ উৰ্ধলৈ অনাৰ ক্ষেত্ৰত লাভ কৰা সফলতাক প্ৰশংসা কৰে। আজিৰ অনুষ্ঠানত দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা উপস্থিত

থাকে। শ্ৰীমতী গুপ্তাই তেওঁৰ ভাষণত কয় যে সংবিধান হৈছে সকলো ভাৰতীয়ৰ জীৱনৰেখা। তেওঁ লগতে কয় যে সংবিধানে সকলো নাগৰিকক একতাৰ জৰীৰে বান্ধি ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে।

০০০০০০০

ভাৰত আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰই বাণিজ্য দূতাবাস, ভিছা আৰু আইনী ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে অধিক পদক্ষেপ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। আবুধাবিত অনুষ্ঠিত বাণিজ্য দূতাবাস পৰিক্ৰমাৰ ভাৰত-ইউ এ ই যুটীয়া সমিতিৰ ষষ্ঠ বৈঠকত আজি দুয়োপক্ষই দুয়োখন দেশতে বাস কৰা প্ৰবাসী লোকসকলৰ সুৰক্ষা, মৰ্যাদা আৰু সুস্বাস্থ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। বৈঠকত ভাৰতীয় প্ৰতিনিধিসকলক বৈদেশিক পৰিক্ৰমা  মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে নেতৃত্ব দিয়ে। মন্ত্ৰালয়ে এই সন্দৰ্ভত কয় যে দুয়োখন দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউ এ ইৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ দৰ্শনেৰে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ভাৰতে ইউ এ ইত বাস কৰা বৃহৎ সংখ্যক ভাৰতীয় সমুদায়ৰ লোকৰ কল্যাণৰ বাবে দেশখনৰ নেতৃত্ব তথা কৰ্তৃপক্ষই আগবঢ়োৱা সমৰ্থনৰ শলাগ লয়। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত এই সমৰ্থনে বিশেষ ভূমিকা পালন কৰিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০০

দুগ্ধ খণ্ড হৈছে দেশৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ আৰু গাঁও তথা কৃষকসকলে এই খণ্ডলৈ সমৃদ্ধি আনে। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় দুগ্ধ দিৱসৰ কাৰ্যসূচীত অংশ লৈ মৎস্য, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এছ্ পি সিং বাঘেলে আজি এই কথা প্ৰকাশ কৰে। ড০ বাঘেলে কয় যে ভাৰতত বিশ্ব ভিতৰতে সৰ্বাধিক পৰিমাণৰ দুগ্ধ উৎপাদন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্বেত বিপ্লৱৰ পিতা ভাৰ্গিজ কুৰিয়ানৰ প্ৰশংসনীয় কামত আলোকপাত কৰি কয় যে শ্বেত বিপ্লৱে কৃষকসকলক মধ্যভোগীৰ পৰা মুক্ত কৰি তেওঁলোকৰ কামক মৰ্যাদা প্ৰদান কৰিলে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে ১৫জন গো-পালকক ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা প্ৰদান কৰে। অনুষ্ঠানত পশুধন আৰু দুগ্ধ খণ্ডৰ বিকাশৰ লক্ষ্যৰে এলানি গুৰুত্বপূৰ্ণ ব্যৱস্থা মুকলি কৰা হয়।

০০০০০০০

২০২৬ চনৰ গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে মাইগ'ভৰ সহযোগত সকলো নাগৰিকৰ বাবে বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু যুৱ শিল্পীসকলৰ বাবে তিনিটা প্ৰতিযোগিতাৰ শিতান মুকলি কৰিছে। ইয়াৰ জৰিয়তে দেশৰ প্ৰতি সন্মান তথা দেশপ্ৰেমৰ ভাৱনাক প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰতিযোগিতাৰ ভিতৰত চিত্ৰাংকন, ৰচনা, গান আৰু কুইজ প্ৰতিযোগিতা আছে। মন্ত্ৰালয়ে শিল্পীসকলক আত্মনিৰ্ভৰ, উদ্ভাৱন আৰু বহনক্ষম বিকাশৰ দিশত ভাৰতৰ যাত্ৰাক প্ৰতিফলিত কৰা ছবি সৃষ্টি কৰিবলৈ আহ্বান জনাইছে। শ্ৰেষ্ঠ ছবিখনক বিশেষ প্ৰদৰ্শনীত দেখুওৱা হ'ব। বিজয়ীসকলে নগদ ধনৰ পুৰস্কাৰ লাভ কৰাৰ লগতে গণৰাজ্য দিৱসৰ পেৰেড উপভোগৰ বাবে আমন্ত্ৰণী পত্ৰ লাভ কৰিব। কুইজ প্ৰতিযোগিতা অহা ১ ডিচেম্বৰত অনুষ্ঠিত হ'ব। কুইজ প্ৰতিযোগিতাৰ বিষয় হৈছে বন্দে মাতৰমৰ ক্ৰমবিকাশ - দেশপ্ৰেম অনুপ্ৰাণিতকৰণৰ ১৫০ বছৰ, আত্মনিৰ্ভৰ ভাৰত ঃ আত্মনিৰ্ভৰশীলতা প্ৰাপ্তিৰ অভিযান, ভাৰতৰ মহাকাশ সফলতা আৰু ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ সফলতা। কুইজ প্ৰতিযোগিতাখন www.mygov.in/campaigns/republicday2026 ৱেবছাইটত পোনপটীয়াকৈ সম্প্ৰচাৰিত হ'ব।

০০০০০০০০

ভাৰত আৰু ভেনিজুৱেলাই বাণিজ্য, স্বাস্থ্য আৰু ভেষজ, ডিজিটেল প্ৰযুক্তি, কৃষি আৰু উন্নয়ন অংশীদাৰিত্বকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বাবে সন্মত হৈছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত-ভেনিজুৱেলা, বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শৰ পঞ্চমখন বৈঠকত আজি দুয়োখন দেশে এই

ক্ষেত্ৰত সনমতি প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূবৰ সচিব পি কুমাৰণ আৰু ভেনিজুৱেলাৰ বৈদেশিক পৰিক্ৰমা উপ-মন্ত্ৰী টাটিয়ানা যোচেফিনা পুগ ম'ৰেন'ৱে এই বৈঠকত সহঅধ্যক্ষতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে দুয়োখন দেশে পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন দিশত সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। দুয়োখন দেশে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশৰ বিভিন্ন বিষয়ত মত-বিনিময় কৰাৰ লগতে ভাৰত-ভেনিজুৱেলা অংশীদাৰিত্ব বৃদ্ধিৰ বাবে সহযোগিতা গভীৰ কৰি তোলাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে।

০০০০০০০

নেশ্যনেল কনফাৰেন্স দলৰ নৱনিৰ্বাচিত তিনিজন ৰাজ্যসভাৰ সদস্যই অহা ১ ডিচেম্বৰত সংসদৰ শীতকালীন অধিবেশনৰ আৰম্ভণিৰ দিনাই শপত গ্ৰহণ কৰিব। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে নেশ্যনেল কনফাৰেন্স দলৰ ছামি অবেৰয়, ছাজাদ আহমেদ কিচ্‌লু আৰু চৌধৰী মহম্মদ ৰমজানক শপত বাক্য পাঠ কৰোৱাব। প্ৰায় ৫ বছৰ মূৰত জম্মু-কাশ্মীৰৰ পৰা কোনো সাংসদে ৰাজ্যসভাত প্ৰতিনিধিত্ব কৰিব। জম্মু-কাশ্মীৰত ২০১৯ চনৰ ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত যোৱা মাহত কেন্দ্ৰীয় শাসিত অঞ্চলটোত ৰাজ্যসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। চাৰিখন আসনৰ বাবে অনুষ্ঠিত হোৱা এই নিৰ্বাচনত নেশ্যনেল কনফাৰেন্স দলে তিনিখন আৰু বিজেপিয়ে এখন আসন লাভ কৰিছিল। জম্মু-কাশ্মীৰৰ পূৰ্বৰ ৰাজ্যসভাৰ সদস্যসকলে ২০২১ চনৰ ২ ফেব্ৰুৱাৰীত তেওঁলোকৰ ছবছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰে।

০০০০০০০

ইণ্ডোনেছিয়াৰ সুমাত্ৰা দ্বীপত প্ৰবল বৰষুণৰ ফলত সৃষ্টি হোৱা বিধবংসী বান আৰু ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৭লৈ বৃদ্ধি পাইছে। বানত এতিয়ালৈকে ছজন লোক সন্ধানহীন হৈ আছে। উত্তৰ সুমাত্ৰাত বানে কঢ়িয়াই অনা বোকা, শিল আৰু গছ-গছনিয়ে বহুকেইখন পাৰ্বত্য গাঁও উটুৱাই লৈ যায়। উদ্ধাৰকাৰী বাহিনীয়ে উত্তৰ সুমাত্ৰাৰ ছটা অঞ্চলৰ ভিতৰুৱা অঞ্চলসমূহত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইয়াৰে চিবোল্‌গা নামৰ ঠাইৰ পৰা পাঁচটা মৃতদেহ উদ্ধাৰ কৰা হয়। দ্বীপটোত বান আৰু ভূমিস্খলনৰ ফলত বহুসংখ্যক ঘৰ-দুৱাৰ, দলং, ৰাস্তা-পথৰ বিস্তৰ ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০০

দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে টেষ্ট শৃংখলাটোত ২-০ৰ ব্যৱধানত জয়লাভ কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত দুখনীয়া শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত আলহী দলটোৱে ভাৰতক ৪০৮ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। ভাৰতে দ্বিতীয় ইনিংছত ৫৪৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আজি অন্তিম দিনা ১৪০ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক ৫৪ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ চাইমন হাৰ্মৰে ছটা উইকেট লাভ কৰে। দক্ষিণ আফ্ৰিকাই ভাৰতৰ মাটিত এইবাৰ দ্বিতীয়বাৰ আৰু ২৫ বছৰত প্ৰথম টেষ্ট শৃংখলাত জয়ী হৈছে। ইয়াৰ পূৰ্বে ২০০০ চনত হান্সি ক্ৰ'নিয়েৰ নেতৃত্বত দক্ষিণ আফ্ৰিকাই ভাৰতৰ মাটিত টেষ্ট শৃংখলাত জয়ী হৈছিল।

০০০০০০০

সমাপ্ত